## প্ৰবেশন পদ্ধতি (Procedure for Recruitment) ঃ

লোক প্ৰশাসনত পদ পূৰণৰ বাবে নিৰ্ধাৰণ কৰা পদ্ধতি গুণ নীতিৰ ওপৰত সুপ্ৰতিষ্ঠিত আৰু এই গুণনীতি মুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল।

চৰকাৰৰ অনুৰোধক্ৰমে লোকসেৱা আয়োগে সংবাদ-পত্ৰ, টেলিভিশ্যন, অনাতাঁৰ আদিৰ জৰিয়তে বিজ্ঞাপন দি ইচ্ছুক প্ৰাৰ্থীৰ আবেদন-পত্ৰ বিচাৰে। বিজ্ঞাপনত পদৰ প্ৰকৃতি, দৰ্মহা, কৰ্ম-চৰ্ত ইত্যাদি উল্লেখ কৰা হয়। এক নিৰ্দিষ্ট সময়ৰ ভিতৰত আয়োগে আবেদন-পত্ৰ গ্ৰহণ কৰি প্ৰাৰ্থীসকলৰ অৰ্হতা সম্পৰ্কে পৰীক্ষা কৰে আৰু পৰীক্ষাৰ দিন ধাৰ্য কৰি যোগ্য প্ৰাৰ্থীসকলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ অনুৰোধ জনায়। প্ৰাৰ্থীসকলৰ অৰ্হতা সম্পৰ্কে আগত আলোচনা কৰা হৈছে।

প্ৰতিযোগিতামূলক পৰীক্ষা কেইবাপ্ৰকাৰৰ হয়, যেনে—

(১) লিখিত পৰীক্ষা (Written test);

(২) অলিখিত পৰীক্ষা (Oral test);

(৩) আৰ্হি পৰীক্ষা (Performance test);

(৪) শাৰীৰিক পৰীক্ষা (Physical test)।

**লিখিত পৰীক্ষা ঃ** লিখিত পৰীক্ষা প্ৰধানকৈ দুই ধৰণৰ হয়, যেনে—ৰচনাধৰ্মী পৰীক্ষা (Essay type of test) আৰু চুটি উত্তৰধৰ্মী পৰীক্ষা (Short answer type of test)।

ৰচনাধৰ্মী পৰীক্ষাত পৰীক্ষাৰ্থীসকলে দীঘলীয়াকৈ প্ৰশ্নৰ উত্তৰ দিব লাগে। সাধাৰণতে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ পৰীক্ষাসমূহত ৰচনাধৰ্মী পৰীক্ষাৰ প্ৰৱৰ্তন হোৱা দেখা যায়। এই পৰীক্ষাত পৰীক্ষাৰ্থীসকলে ৫ বা ৬ টা প্ৰশ্নৰ উত্তৰ ৩ বা ৪ ঘণ্টাৰ ভিতৰত দিব লাগে। শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমৰ সৈতে এই পৰীক্ষাৰ পাঠ্যক্ৰমৰ যথেষ্ট সামঞ্জস্য থাকে। অৱশ্যে পদত সন্নিৱিষ্ট কৰা কৰ্তব্য আৰু দায়িত্ব পালনৰ বাবে প্ৰয়োজনীয় জ্ঞানৰ সৈতেও

Scanned by CamScanner

এই পাঠ্যক্ৰমৰ সম্বন্ধ ৰখা হয়। এই পৰীক্ষাৰ দ্বাৰা প্ৰাৰ্থীৰ বৌদ্ধিক জ্ঞান, সমালোচনামূলক দৃষ্টিভঙ্গী, ভাব প্ৰকাশৰ সামৰ্থ্য ভাষা আদিৰ মূল্যায়ন কৰা হয়।

কিন্তু এনে ৰচনাধৰ্মী পৰীক্ষাৰ বহু দোষ পৰিলক্ষিত হয়। ৰচনাধৰ্মী পৰীক্ষাই পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত সকলো বিষয় সামৰি ল'ব নোৱাৰে। তাৰোপৰি পৰীক্ষকসকলৰ দৃষ্টিভঙ্গী বেলেগ বেলেগ হয় আৰু কেতিয়াবা একেজন পৰীক্ষকেই সকলো সময়তে মূল্যায়নৰ মানদণ্ড একেদৰে ৰাখিব নোৱাৰে। এনে পৰীক্ষাত অধিক সংখ্যক পৰীক্ষকক নিযুক্তি দিব লগীয়া হয় আৰু সেয়ে এই ক্ষেত্ৰত অধিক ধন আৰু সময় খৰচ হোৱাৰ সম্ভাৱনা থাকে। ৰচনাধৰ্মী পৰীক্ষা সাধাৰণতে নিৰ্ভৰযোগ্য নহয়।

আনবিধ লিখিত পৰীক্ষা হ'ল চুটি উত্তৰধৰ্মী পৰীক্ষা। এই পৰীক্ষাত এখন প্ৰশ্নকাকতে ১০০ৰ পৰা ২০০লৈকে প্ৰশ্ন থাকে আৰু পৰীক্ষাৰ্থীয়ে ১ ঘণ্টা বা ২ ঘণ্টাৰ ভিতৰত প্ৰশ্নসমূহৰ উত্তৰ দিব লাগে। সাধাৰণতে শুদ্ধ উত্তৰ বাছি উলিওৱা, খালী ঠাই পূৰণ কৰা, শুদ্ধ নে অশুদ্ধ সেই বিষয়ে ইঙ্গিত দিয়া ইত্যাদি ধৰণৰ প্ৰশ্নবোৰ থাকে। চুটি উত্তৰধৰ্মী পৰীক্ষাৰ প্ৰধান গুণ হ'ল যে এই পৰীক্ষাত এখন প্ৰশ্নকাকতে পাঠ্যক্ৰমৰ সকলো বিষয় সামৰি ল'ব পাৰে। মূল্যায়নৰ মানদণ্ড সদায়েই একে থাকে আৰু সেইবাবে এই পৰীক্ষা নিৰ্ভৰযোগ্য হয়। পৰীক্ষকসকলৰ দৃষ্টিভঙ্গীৰ ভিন্নতাই মূল্যায়নত প্ৰভাৱ পেলাব নোৱাৰে। কম খৰচ আৰু অতি কম সময়ৰ ভিতৰত সৰহ সংখ্যক পৰীক্ষাৰ বহী মূল্যায়ন কৰিব পৰা হয়।

কিন্তু চুটি উত্তৰধৰ্মী পৰীক্ষাক দোষমুক্ত বুলি ক'লে ভুল হ'ব। কিয়নো দেখা যায় এই পৰীক্ষাত প্ৰশ্নৰ পুনৰাবৃত্তি হোৱাৰ সম্ভাৱনা বেছি হয়, পৰীক্ষাৰ্থীসকলে তেওঁলোকৰ ভাষা, সমালোচনামূলক দৃষ্টিভঙ্গী আদিৰ প্ৰদৰ্শন কৰাৰ সুযোগ নাপায়।

এইদৰে দেখা যায় দুয়োধৰণৰ লিখিত পৰীক্ষাৰ দোষ আৰু গুণ আছে। বৃটেইন, ভাৰতবৰ্ষ, ফ্ৰান্স আদি দেশত লিখিত পৰীক্ষাৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। ভাৰতবৰ্ষত এই পৰীক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন ১৮৫৪ চনত লৰ্ড মেক'লেৰ পৰামৰ্শক্ৰমে পোন-প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা হয়। লিখিত পৰীক্ষাত সাধাৰণতে ৰচনাধৰ্মী আৰু চুটি উত্তৰধৰ্মী দুয়োবিধ পৰীক্ষাৰ সংমিশ্ৰণ হোৱা দেখা যায়।

**(২) অলিখিত পৰীক্ষা ঃ** লোক প্ৰশাসনত খালী পদ পূৰণ কৰাৰ বাবে লিখিত পৰীক্ষাৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব পৰা নাযায়। কিয়নো লিখিত পৰীক্ষাৰ দ্বাৰা প্ৰাৰ্থীৰ কেৱল বৌদ্ধিক জ্ঞান সম্বন্ধেহে জানিব পাৰি, কিন্তু এই পৰীক্ষাত প্ৰাৰ্থীসকলৰ ব্যক্তিত্বৰ প্ৰকাশ নাপায়। লোক প্ৰশাসনত কৃতকাৰ্যতা কামনা কৰাৰ বাবে এজন প্ৰাৰ্থীৰ বৌদ্ধিক জ্ঞানৰ উপৰিও অন্য কিছুমান গুণৰ আৱশ্যক, যেনে—উপস্থিত বুদ্ধি, ধৈৰ্য, তৎপৰতা, কৰ্মৰ প্ৰতি আগ্ৰহশীলতা, আত্মবিশ্বাস, সিদ্ধান্ত গ্ৰহণৰ সামৰ্থ্য, আচৰণ আদিৰ বিষয়ে কেৱল অলিখিত পৰীক্ষাৰ সহায়তহে জানিব পৰা হয়।

অলিখিত পৰীক্ষা কেইবাপ্ৰকাৰৰ হয়। প্ৰথম, বাছনি সমিতিৰ জৰিয়তে মৌখিক বা

Scanned by CamScanner

অলিখিত পৰীক্ষা অনুষ্ঠিত কৰি লোক প্ৰশাসনৰ কিছুমান পদ পূৰণ কৰা হয়। এই ক্ষেত্ৰত লিখিত পৰীক্ষাৰ ই সহায়ক নহয়। সাধাৰণতে বিশেষজ্ঞ, শিক্ষক আদি পদসমূহৰ বাবে এনে ধৰণৰ অলিখিত পৰীক্ষাৰ ওপৰত নিৰ্ভৰ কৰা হয়। দ্বিতীয়, লিখিত পৰীক্ষাৰ পৰিপূৰক হিচাপে অনুষ্ঠিত কৰা মৌখিক পৰীক্ষা। এই ধৰণৰ পৰীক্ষাৰ দ্বাৰা সাধাৰণতে প্ৰাৰ্থীৰ কোনো এটা বিষয়ৰ ওপৰত থকা জ্ঞানৰ মূল্যায়ন কৰিব পাৰি। তৃতীয়, এইবিধ অলিখিত পৰীক্ষা মুক্ত প্ৰতিযোগিতাৰ পৰিপূৰক পৰীক্ষা বুলি ধৰা হয়। কিয়নো প্ৰাৰ্থীসকলে প্ৰথমে লিখিত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ উপৰিও অলিখিত পৰীক্ষাৰ সন্মুখীন হ'ব লাগে। এই পৰীক্ষাই প্ৰাৰ্থীসকলক তেওঁলোকৰ ব্যক্তিত্ব বিকাশৰ সুবিধা দিয়ে। চতুৰ্থ, এইবিধ অলিখিত পৰীক্ষাৰ ভিত্তিত অযোগ্য প্ৰাৰ্থীসকলক মূল প্ৰতিযোগিতাৰ পৰা বিৰত ৰখা হয়। ইয়াক প্ৰাথমিক পৰ্যায়ৰ বাছনি পৰীক্ষা বুলি ক'লেও ভুল নহয়। এই পৰীক্ষাৰ ফলাফলৰ সৈতে মূল পৰীক্ষাৰ ফলাফলৰ কোনো সম্বন্ধ নাথাকে।

অলিখিত পৰীক্ষাৰ কেইটামান দোষ আছে, যেনে—

(১) অলিখিত পৰীক্ষা আত্মিক (Subjective) আৰু অনিশ্চিত প্ৰকৃতিৰ হয়। কিয়নো এজন ব্যক্তিৰ ব্যক্তিত্ব সম্পৰ্কে সাক্ষাৎ গ্ৰহণকাৰীসকলে বেলেগ বেলেগ ধাৰণা পোষণ কৰিব পাৰে।

(২) এই পৰীক্ষাৰ কৃত্ৰিম পৰিবেশত প্ৰাৰ্থীসকলে নিজকে খাপ খুৱাই ল'ব নোৱাৰিলে অতি সহজে ব্যৰ্থ হ'ব লগাত পৰে।

(৩) বহু সময়ত দেখা যায় উপৰুৱা বিষয় কিছুমানে পৰীক্ষকসকলৰ সিদ্ধান্তত প্ৰভাৱ পেলায়, যেনে—সাজ-পোছাক, কথা কোৱাৰ ধৰণ, আচৰণ ইত্যাদি।

(৪) অলিখিত পৰীক্ষাৰ সময়-সীমা অতি কম হয়। সাধাৰণতে ১৫ৰ পৰা ৩০ মিনিটৰ ভিতৰতে সময়সীমা আবদ্ধ হোৱাৰ ফলত পৰীক্ষকে কিমানদূৰ ন্যায় বিচাৰ কৰিবলৈ সক্ষম হয় সেই বিষয়ে সন্দেহ কৰাৰ যথেষ্ট থল থাকে।

(৫) অলিখিত পৰীক্ষা প্ৰকৃততে পৰীক্ষাৰ্থী আৰু পৰীক্ষকৰ মাজত এক প্ৰকাৰ কথোপকথন আৰু সাহসী অথবা কথাচহকী ব্যক্তিয়েও কেতিয়াবা পৰীক্ষকৰ মন জয় কৰিবলৈ সক্ষম হৈ পৰে। যোগ্য প্ৰাৰ্থীয়ে ভয় বা লাজ আৰু সঙ্কোচ মনোভাৱৰ বশৱৰ্তী হৈ সঠিকভাৱে এই কথোপকথনত অংশগ্ৰহণ কৰিবলৈ অক্ষম হোৱাও দেখা যায়।

(৬) প্ৰাৰ্থীসকলে দীৰ্ঘদিন জোৰা শৈক্ষিক জীৱনত আহৰণ কৰা জ্ঞান ১৫ বা ৩০ মিনিট সময়ৰ ভিতৰত মূল্যায়ন কৰা সম্ভৱ নহয়।

উক্ত দোষসমূহ থকা সত্ত্বেও লোক প্ৰশাসকৰ নিযুক্তিৰ বাবে আধুনিক ৰাষ্ট্ৰসমূহ এতিয়াও অলিখিত পৰীক্ষাৰ ওপৰত নিৰ্ভৰশীল হোৱা দেখা যায়। ইয়াৰ কাৰণ বহুতো হ'ব পাৰে। প্ৰধান কাৰণসমূহ হ'ল—(১) অলিখিত পৰীক্ষা লিখিত পৰীক্ষাৰ পৰিপূৰক হিচাপে গণ্য কৰিব পাৰি; (২) লিখিত পৰীক্ষাত প্ৰাৰ্থীৰ ব্যক্তিত্ব জ্ঞান থাকিলেই যে

Scanned by CamScanner